**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 17-02-2026
**Time :** 19-10 Hrs

***Assamese Evening Bulletin***
***Headlines***

00000

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ভাৰত আৰু ফ্ৰান্সৰ মাজৰ সম্পৰ্কক অনিশ্চয়তাৰে ভৰা বিশ্বত গোলকীয় সুস্থিৰতাৰ শক্তি আখ্যা দিছে।

২। খেতিয়কসকলক সৱল আৰু অৰ্থনৈতিকভাৱে শক্তিশালী কৰি তোলাৰ বাবে তেওঁলোকক অত্যাধুনিক প্ৰযুক্তিৰ সৈতে সংযুক্ত কৰাটো অতিকে জৰুৰী বুলি কেন্দ্ৰীয় কৃষি আৰু কৃষক কল্যাণ মন্ত্ৰী শিৱৰাজ সিং চৌহানে প্ৰকাশ কৰিছে।

৩। ৰাষ্ট্ৰীয় ঘাইপথ প্ৰাধিকৰণে ৰাষ্ট্ৰীয় ঘাইপথসমূহৰ সমীপত সুকীয়া বি ক'ৰিডৰ বিকশাই তোলাৰ সিদ্ধান্ত লৈছে।

৪। বাংলাদেশ নেচনেলিষ্ট পাৰ্টিৰ মুৰব্বী টাৰিক ৰহমানে আজি বাংলাদেশৰ নতুন প্ৰধানমন্ত্ৰী হিচাপে শপত গ্ৰহণ কৰে।

*আৰু*

৫। অষ্ট্ৰেলিয়া টি-টুৱেণ্টি বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ পৰা বাহিৰ হৈছে।000000

00000

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ভাৰত আৰু ফ্ৰান্সৰ মাজৰ সম্পৰ্কক অনিশ্চয়তাৰে ভৰা বিশ্বত গোলকীয় সুস্থিৰতাৰ শক্তি বুলি অভিহিত কৰিছে। মুম্বাইত আজি ফ্ৰান্সৰ ৰাষ্ট্ৰপতি ইমানুৱেল মাক্ৰ'ৰ সৈতে হোৱা দ্বিপাক্ষিক বৈঠকৰ অন্তত এখন যুটীয়া সংবাদমেলত শ্ৰীমোদীয়ে এইদৰে মন্তব্য কৰে। প্ৰধানমন্ত্ৰীয়ে কয়, যে দুয়ো দেশৰ মাজৰ সহযোগিতা পৰম্পৰাগত কূটনীতিৰ ঊৰ্ধলৈ উঠি ইতিমধ্যে জনসাধাৰণৰ সহযোগিতালৈ ৰূপান্তৰিত হৈছে। এই প্ৰসংগত তেওঁ ভাৰত-ফ্ৰান্স উদ্ভাৱন বৰ্ষ উদযাপনৰ বিষয়ে আলোকপাত কৰে। তেওঁ ফ্ৰান্সক ভাৰত মহাসাগৰ অঞ্চলৰ অপৰিহাৰ্য্য সহযোগী বুলি আখ্যা দিয়ে। তেওঁ কয়, যে ভাৰত আৰু ফ্ৰান্সে ২০২৬ বৰ্ষৰ বাবে গ্ৰহণ কৰা পৰিকল্পনাৰ দিশৰ পৰা ভাৰত-ফ্ৰান্স উদ্ভাৱন বৰ্ষ গুৰুত্বপূৰ্ণ। উদ্ভাৱন অকলশৰীয়াকৈ নহয়, বৰং সহযোগিতাৰ মাজেৰেহে সম্ভৱ বুলি উল্লেখ কৰি শ্ৰীমোদীয়ে কয়, যে নিকা শক্তি আৰু ডিজিটেল স্বাস্থ্য খণ্ডৰ গোলকীয় প্ৰত্যাহ্বানসমূহ সমাধান কৰাৰ বাবে ভাৰত আৰু ফ্ৰান্সৰ ষ্টাৰ্ট-আপ প্ৰতিষ্ঠান, অতি ক্ষুদ্ৰ, ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগ আৰু গৱেষণা কেন্দ্ৰসমূহক সংযুক্ত কৰাৰ লক্ষ্য স্থিৰ কৰা হৈছে। এই উপলক্ষে ফ্ৰান্সৰ ৰাষ্ট্ৰপতি মাক্ৰ'ই কয়, যে ভাৰত আৰু ফ্ৰান্সৰ মাজৰ সম্পৰ্ক পাৰস্পৰিক আস্থাৰ পৰ্য্যায়ত উপনীত হৈছে আৰু এই সম্পৰ্ক বৰ্তমানৰ বিশ্বৰ বাবে সঁচাকৈ অনন্য। গভীৰ সমুদ্ৰৰ পৰা সুউচ্চ পৰ্বতমালালৈ দুয়ো দেশৰ মাজৰ সহযোগিতাৰ কোনো সীমনা নাই বুলি মন্তব্য কৰে।

00000

খেতিয়কসকলক সৱল আৰু অৰ্থনৈতিকভাৱে শক্তিশালী কৰি তোলাৰ বাবে তেওঁলোকক অত্যাধুনিক প্ৰযুক্তিৰ সৈতে সংযুক্ত কৰাটো অতিকে জৰুৰী বুলি কেন্দ্ৰীয় কৃষি আৰু কৃষক কল্যাণ মন্ত্ৰী শিৱৰাজ সিং

চৌহানে প্ৰকাশ কৰিছে। ৰাজস্থানৰ জয়পুৰত আয়োজিত এটা অনুষ্ঠানত খেতিয়কসকলৰ ডিজিটেল সংগী ভাৰত বিস্তাৰ মুকলি কৰি মন্ত্ৰীগৰাকীয়ে কয়, যে কেন্দ্ৰীয় চৰকাৰে এই উদ্দেশ্যে নতুন নতুন উদ্যম মুকলি কৰিছে। খেতিয়কসকলক দক্ষ, নিপুণ আৰু সৱল কৰি তোলাই এই উদ্যমসমূহৰ মূল উদ্দেশ্য বুলি তেওঁ মন্তব্য কৰে। মন্ত্ৰীগৰাকীয়ে কয়, যে চৰকাৰে উৎপাদন বৃদ্ধি, উৎপাদন ব্যয় হ্ৰাস, লোকচানৰ ক্ষতিপূৰণ আৰু সংহত কৃষি পদ্ধতিৰ প্ৰসাৰত গুৰুত্ব আৰোপ কৰি আহিছে। তেওঁ কয়, যে কৃষিৰ উপৰি পশুপালন, হাঁহ-কুকুৰা পালন আৰু মৎস্য পালনকো উদগনি যোগোৱা উচিত।

ভাৰত বিস্তাৰ সম্পৰ্কে উল্লেখ কৰি শ্ৰীচৌহানে কয়, যে চৰকাৰৰ বিভিন্ন আঁচনি আৰু নতুন প্ৰযুক্তিৰ তথ্যৰ অভাৱৰ বাবে খেতিয়কসকল প্ৰায়ে লোকচানৰ সন্মুখীন হয়। এতিয়া খেতিয়কসকলে এই একক মঞ্চৰ পৰাই শস্য ভিত্তিক বৈজ্ঞানিক পৰামৰ্শ, পাইকাৰী বজাৰৰ মূল্য, আগলি বতৰা আৰু অন্য গুৰুত্বপূৰ্ণ তথ্য লাভ কৰিব পাৰিব। খেত্িয়কসকলে ফোন কৰিয়েই এনে তথ্য লাভ কৰিব পাৰিব বুলি মন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে।

শ্ৰীচৌহানে কয়, যে অলপতে সম্পাদিত ভাৰত-আমেৰিকা যুক্তৰাষ্ট্ৰ বাণিজ্য চুক্তিত খেতিয়কসকলৰ স্বাৰ্থ সম্পূৰ্ণৰূপে সুৰক্ষিত কৰা হৈছে। বিৰোধী পক্ষই চুক্তিখনক লৈ অপ-প্ৰচাৰ চলোৱা বুলি অভিযোগ তুলি কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে কয়, যে নৰেন্দ্ৰ মোদী চৰকাৰে সদায় খেতিয়কসকলৰ কল্যাণক অগ্ৰাধিকাৰ দি আহিছে। তেওঁ কয়, যে বিৰোধী দলসমূহে সম্প্ৰতি খেতিয়কৰ কথা ক'বলৈ লৈছে যদিও ইউ পি এ চৰকাৰে স্বামীনাথন কমিটিৰ প্ৰতিবেদন গ্ৰহণ কৰিবলৈ অস্বীকাৰ কৰিছিল। মোদী চৰকাৰে ২০১৯ চনত এই প্ৰতিবেদন ৰূপায়ণ কৰা বুলি তেওঁ মন্তব্য কৰে। ৰাজস্থানৰ মুখ্যমন্ত্ৰী ভজনলাল শৰ্মা, কৃষি ৰাজ্য মন্ত্ৰী কিৰোৰীলাল মীনা আৰু জ্যেষ্ঠ বিষয়াসকল অনুষ্ঠানত উপস্থিত থাকে। দেশৰ বিভিন্ন প্ৰান্তৰ খেতিয়কসকলে ভি ডি অ' কনফাৰেন্সিং ব্যৱস্থাৰে অনুষ্ঠানত ভাগ লয়।

ooooo

ৰাষ্ট্ৰীয় ঘাইপথ প্ৰাধিকৰণে ৰাষ্ট্ৰীয় ঘাইপথসমূহৰ সমীপত সুকীয়া বি ক'ৰিডৰ বিকশাই তোলাৰ কথা ঘোষণা কৰিছে। পথ পৰিবহণ আৰু ঘাই পথ মন্ত্ৰালয়ে প্ৰকাশ কৰা মতে, ৰাষ্ট্ৰীয় ঘাইপথ প্ৰাধিকৰণে এই উদ্যমৰ জৰিয়তে আলংকৰিক উদ্ভিদৰ পৰিৱৰ্তে মৌমাখিৰ বাবে অনুকূল গছ-গছনি ৰোপণ কৰাৰ লক্ষ্য স্থিৰ কৰিছে। পৰাগ যোগকাৰীৰ ওপৰত পৰা বৰ্ধিত হেঁচাৰ প্ৰতি লক্ষ্য ৰাখি এই সিদ্ধান্ত গ্ৰহণ কৰা হৈছে। পৰাগ যোগকাৰীৰ ওপৰত পৰা বৰ্ধিত হেঁচাৰ বাবেই পৰাগ সংযোগ সেৱা, কৃষি, উদ্যান শস্যৰ উৎপাদন আৰু সামগ্ৰিক পৰিৱেশ তন্ত্ৰৰ ভাৰসাম্যৰ ক্ষেত্ৰত বিৰূপ প্ৰভাৱ পৰিছে।

কৃষি জলবায়ু পৰিৱেশ আৰু স্থানীয় উপযোগিতাৰ ভিত্তিত ঘাইপথ আৰু ৰাষ্ট্ৰীয় ঘাইপথ প্ৰাধিকৰণৰ ভূমিত এনে বি-ক'ৰিডৰ বিকাশাই তোলা হ'ব। ৰাষ্ট্ৰীয় ঘাইপথ প্ৰাধিকৰণে ২০২৬-২৭ বৰ্ষত ঘাইপথৰ সমীপত প্ৰায় ৪০ লাখ গছপুলি ৰোপণৰ পৰিকল্পনা কৰিছে। ইয়াৰে প্ৰায় ৬০ শতাংশ বি-ক'ৰিডৰ প্ৰকল্পৰ অধীনত ৰোপণ কৰা হ'ব।

ooooo

নোবেল বঁটা প্ৰাপক মুহম্মদ য়ুনুছ নেতৃত্বাধীন অন্তৰ্বৰ্তী প্ৰশাসনৰ প্ৰায় ১৮ মাহৰ অনিশ্চয়তাৰ পাছত বাংলাদেশ নেচনেলিষ্ট পাৰ্টী বি এন পিৰ মুৰব্বী টাৰিক ৰহমানে আজি বাংলাদেশত নতুন ৰাজনৈতিক অধ্যায়ৰ সূচনা কৰি দেশখনৰ প্ৰধানমন্ত্ৰী হিচাপে শপত গ্ৰহণ কৰে। ৰাষ্ট্ৰপতি মোহম্মদ চাহাবুদ্দিনে ৬০ বছৰীয়া ৰহমানক পুৰণি পৰম্পৰাৰ পৰা ফালৰি কাটি আহি বংগ ভৱনৰ পৰিৱৰ্তে জাতীয় সংসদৰ ছাউথ

প্লাজাত আয়োজিত অনুষ্ঠানত পদ আৰু গোপনীয়তা ৰক্ষাৰ শপত বাক্য পাঠ কৰোৱায়। লোকসভাৰ অধ্যক্ষ ওম বিৰলা আৰু বিদেশ সচিব বিক্ৰম মিশ্ৰীয়ে শপত গ্ৰহণ অনুষ্ঠানত ভাৰতক প্ৰতিনিধিত্ব কৰে। অনুষ্ঠানত কেইবাগৰাকীও জ্যেষ্ঠ নেতা আৰু শীৰ্ষ সামৰিক বিষয়াই অংশগ্ৰহণ কৰে। শপত গ্ৰহণ কৰি ৰহমানে আইন অনুসৰি নিজৰ দায়িত্ব নিষ্ঠা সহকাৰে পালন কৰাৰ প্ৰতিশ্ৰুতি দিয়ে। পাছত ৰাষ্ট্ৰপতিয়ে ২৫ গৰাকী কেবিনেট মন্ত্ৰী আৰু ২৪ গৰাকী ৰাজ্য মন্ত্ৰীক শপত বাক্য পাঠ কৰোৱায়। এই মন্ত্ৰীসকলৰ দপ্তৰসমূহ শীঘ্ৰেই বিতৰণ কৰা হ'ব। ইয়াৰ পূৰ্বে বি এন পিৰ সাংসদসকলে শ্ৰীৰহমানক দলৰ সংসদীয় গোটৰ নেতা হিচাপে বাছনি কৰে। ৰহমান দেশখনৰ প্ৰাক্তন ৰাষ্ট্ৰপতি জীয়াউৰ ৰহমান আৰু প্ৰাক্তন প্ৰধানমন্ত্ৰী খালেদা জীয়াৰ পুত্ৰ। তেওঁ ১৭ বছৰ লণ্ডনত থকাৰ পাছত যোৱা ডিচেম্বৰত বাংলাদেশলৈ ঘূৰি আহে। ৰহমানৰ শপত গ্ৰহণৰ লগে লগে দেশখনত প্ৰায় ২ দশকৰ পাছত বি এন পি নেতৃত্বাধীন চৰকাৰৰ ক্ষমতালৈ প্ৰত্যাৱৰ্তন ঘটে। চৰকাৰখনে ২০২৪ চনৰ আগষ্টত আৱামী লীগ চৰকাৰৰ পতনৰ পাছত কাৰ্য্যভাৰ গ্ৰহণ কৰা য়ুনুছ নেতৃত্বাধীন অন্তৰ্বৰ্তী প্ৰশাসনৰ ঠাই ল'ব।

০০০০০

যোগাযোগ মন্ত্ৰী জ্যোতিৰাদিত্য সিন্ধিয়াই আজি আয়াৰলেণ্ডৰ ৰাজহুৱা সেৱা সংস্কাৰ আৰু ডিজিটেল মন্ত্ৰী জেক চেম্বাৰ্ছক নতুন দিল্লীত সাক্ষাৎ কৰে। সাক্ষাৎকালত দুয়োগৰাকী নেতাই দেশ দুখনৰ ডিজিটেল যাত্ৰা সন্দৰ্ভত আলোচনা কৰে। তেওঁলোকে ডি পি আই, ইউ পি আই, ডি বি টি ফাইভ জি ইণ্টাৰনেট সেৱাৰ সম্প্ৰসাৰণ আৰু কোৱাণ্টাম কমিউনিকেচন, কৃত্ৰিম বুদ্ধিমত্তা, উদ্ভাৱন আৰু গ্ৰাম্যাঞ্চলৰ ব্ৰডবেণ্ড সেৱাৰ সম্প্ৰসাৰণ আদি সন্দৰ্ভত আলোচনা কৰে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত শ্ৰীসিন্ধিয়াই কয়, যে ভাৰত আৰু আয়াৰলেণ্ডৰ বলীষ্ঠ উদ্ভাৱনৰ গণতন্ত্ৰই এটা শক্তিশালী আৰু ভৱিষ্যদৰ্শী ডিজিটেল সহযোগিতা গঢ়ি তুলিব পাৰে। শ্ৰীসিন্ধিয়াই লগতে আন্তঃৰাষ্ট্ৰীয় দূৰসংযোগ সংঘত ভাৰতৰ প্ৰাৰ্থিত্বৰ প্ৰতি আয়াৰলেণ্ডৰ সমৰ্থন বিচাৰে।

০০০০০

তীখা মন্ত্ৰালয়ে ভাৰত কৃত্ৰিম বুদ্ধিমত্তাৰ প্ৰভাৱ সন্মিলনত তীখা খণ্ডৰ ব্যৱহাৰিক উন্নয়ন আৰু প্ৰয়োজনীয় সমাধানৰ বাবে কৃত্ৰিম বুদ্ধিমত্তাৰ ষ্টাৰ্ট-আপ আৰু উদ্ভাৱনকাৰীসকলক সহযোগিতাৰ বাবে আহ্বান জনাইছে। সন্মিলনত তীখা বিভাগৰ সচিব, কেন্দ্ৰীয় ৰাজহুৱা খণ্ড প্ৰতিষ্ঠানৰ পৰিচালন সঞ্চালক, ভাৰতৰ তীখা কৰ্তৃপক্ষ আৰু ৰাষ্ট্ৰীয় খনিজ উন্নয়ন নিগম লিমিটেডৰ কৰ্তৃপক্ষৰ মাজত কাইলৈ এই সন্মিলনত এখন বিশেষ বৈঠক অনুষ্ঠিত হ'ব।

০০০০০

অষ্ট্ৰেলিয়া টি-টুৱেণ্টি বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ পৰা বাহিৰ হৈছে। শ্ৰীলংকাৰ পাল্লেকেলেত আজি জিম্বাবৱে আৰু আয়াৰলেণ্ডৰ মাজত হ'বলগীয়া গ্ৰুপ বিৰ গুৰুত্বপূৰ্ণ খেলখন বৰষুণৰ বাবে এটাও বল নেখেলোৱাকৈ পৰিত্যক্ত ঘোষণা কৰাত দুয়োটা দলে সমানে পইণ্ট লাভ কৰে। এই ফলাফলৰ সুবাদত জিম্বাবৱে গ্ৰুপ বিৰ পৰা ছুপাৰ এইটত প্ৰৱেশ কৰা দ্বিতীয়টো দলৰূপে পৰিগণিত হয়। শ্ৰীলংকাই ইতিপূৰ্বে গ্ৰুপ বিৰ পৰা ছুপাৰ এইটত প্ৰৱেশ কৰিছে।

ইয়াৰ পূৰ্বে চেন্নাইৰ এম এ চিদাম্বৰত ষ্টেডিয়ামত অনুষ্ঠিত গ্ৰুপ ডিৰ এখন খেলত নিউজিলেণ্ডে কানাডাক ৮ উইকেটত পৰাস্ত কৰে। নিউজিলেণ্ডে ১৭৪ ৰাণৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি ১৫ অভাৰ

আৰু এটা বলত দুটা উইকেট হেৰুৱাই অনায়াসে লক্ষ্য অতিক্ৰম কৰে। ইয়াৰ পূৰ্বে কানাডাই টছত জিকি প্ৰথমে বেট ধৰাৰ সিদ্ধান্ত লৈ নিৰ্ধাৰিত ২০ অভাৰত চাৰিটা উইকেট হেৰুৱাই ১৭৩ ৰাণ সংগ্ৰহ কৰে।

ইপিনে, মুম্বাইৰ ৰাংখেড়ে , ষ্টেডিয়ামত অনুষ্ঠিত গ্ৰুপ চিৰ এখন খেলত স্কটলেণ্ড নেপালৰ বিৰুদ্ধে অৱতীৰ্ণ হৈছে। খেলখনত স্কটলেণ্ডে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি বাতৰি যুগুতোৱাৰ পৰলৈকে ২ অভাৰত এটাও উকিেট নেহেৰুওৱাকৈ ১৪ ৰাণ সংগ্ৰহ কৰি খেলি আছিল।

ooooo

সমাপ্ত